# ২০২০ বৰ্ষৰ ICTP ৰামানুজন বঁটা

**ড° পৰমা দত্ত**

সহকাৰী অধ্যাপক, গণিত বিভাগ, লক্ষীমপুৰ বালিকা মহাবিদ্যালয়



'ICTP Ramanujan Prize for Young Mathematicians from Developing Countries' শীৰ্ষক বঁটা ২০০৫ বৰ্ষৰ পৰা প্ৰতিবছৰে এখন উন্নয়নশীল দেশৰ ৪৫ বছৰৰ অনূৰ্ধ গণিতৰ এগৰাকী প্ৰভাৱশালী গৱেষকক প্ৰদান কৰা হয়। আৰম্ভণিতে এই বঁটা International Centre for Theoretical Physics (ICTP), Niels Henrik Abel Memorial Fund আৰু আন্তঃৰাষ্ট্ৰীয় গাণিতিক সংঘই (IMU) যুটীয়াভাৱে প্ৰদান কৰিছিল। কিন্তু ২০১২ বৰ্ষত 'Abel Fund'ৰ অংশগ্ৰহণ সমাপ্ত হোৱাৰ পাছত ২০১৪ চনৰ পৰা ভাৰত চৰকাৰৰ অধীনস্থ 'বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা বিভাগ' (DST) এই বঁটাৰ সৈতে জড়িত হয়। ICTP, IMU আৰু DST য়ে প্ৰসিদ্ধ গণিতজ্ঞসকলৰ দ্বাৰা গঠন কৰি দিয়া কমিটিখনে এই বঁটাৰ বাবে যোগ্য ব্যক্তিগৰাকীক নিৰ্বাচন কৰে। এই বঁটাৰ অনুদান ১৫০০০ মাৰ্কিন ডলাৰ। বিজেতাজনক এই বঁটা গ্ৰহণ কৰিবলৈ আৰু এক বক্তৃতা প্ৰদান কৰিবলৈ ICTP লৈ নিমন্ত্ৰণ কৰি নিয়া হয়।

২০২০ বৰ্ষৰ বাবে ব্ৰাজিলৰ কেৰ'লিনা অৰাওজ'ই (Carolina Araujo) এই বঁটা লাভ কৰিবলৈ সক্ষম হয়। তেওঁ মূলতঃ বীজগণিতীয় জ্যামিতিৰ ক্ষেত্ৰখনত বিশেষ বৰঙণি আগবঢ়োৱা বাবেই এই সন্মানৰ অধিকাৰী হয়। প্ৰাপ্ত তথ্য অনুসৰি – তেওঁৰ *গৱেষণা birational geometry আৰু theory of external rays ত বিশেষ প্ৰয়োগ হৈছে। Projective space আৰু hyperquadrics ৰ বিশেষ বৈশিষ্ট্য নিৰ্ণয় কৰাত তেওঁ পাৰদৰ্শিতা প্ৰদৰ্শন কৰিবলৈ সক্ষম হৈছে। তদুপৰি Fano varieties আৰু algebraic foliations ৰ সম্পৰ্কতো তেওঁৰ কেইটামান তাৎপৰ্যপূৰ্ণ অৱদান মনকৰিবলগীয়া।*

কেৰ'লিনাৰ জন্ম হয় ব্ৰাজিলৰ ৰিউ ডি জেনেইৰ'ত, আৰু Pontifical Catholic University of Rio de Janeiroত শিক্ষা গ্ৰহণ কৰে। ইয়াৰ পাছত ২০০৪ চনত বিশ্বপ্ৰসিদ্ধ প্ৰিন্সটন বিশ্ববিদ্যালয়ৰ পৰা 'Variety of Tangents to Rational Curves' শীৰ্ষক কোষগ্ৰন্থৰ (thesis) বাবে ডক্টৰেট ডিগ্ৰী লাভ কৰে। এই সময়ছোৱাত আৰু পৰৱৰ্তী সময়ত তেওঁ জাপানী ফিল্ডছ্ মেডেলিষ্ট গণিতজ্ঞ ছিগেফুৰেমি ম'ৰিয়ে (Shigefumi Mori) আগবঢ়োৱা theory of rational curves if minimal ৰ বিকাশ সাধন কৰে। কেৰ'লিনা বৰ্তমান ব্ৰাজিলৰ Instituto Nacional de Matemática Pura e Aplicada (IMPA) ত স্থায়ী গৱেষকৰূপে কৰ্মৰত। উল্লেখযোগ্য যে IMPA ত বৰ্তমানলৈকে তেঁৱেই হৈছে একমাত্ৰ স্থায়ী মহিলা গৱেষক। তাৰোপৰি তেওঁ ICTP ৰ Simons Associate ৰূপেও কৰ্মৰত আৰু বৰ্তমান আন্তঃৰাষ্ট্ৰীয় গাণিতিক সংঘৰ Committee for Women in Mathematics ৰ উপ-সভানেত্ৰী। ২০০৮ বৰ্ষত তেওঁ L'Oreal Award for Women in Science in Brazil বঁটা লাভ কৰিছিল।